# ৰাজহাঁহ আৰু কাছ



অসম সৰ্বশিক্ষা অভিযান মিছনৰ উদ্যোগত আৰু ইউনিচেফৰ সহযোগত



# এইখন মৰিকলং বিল। বিলখনত বহুতো মাছ আছে।



ৰাজহাঁহযোৰে সদায় বিলত চৰে। লগত আন বহু চৰায়ো চৰে।



(পঢ়োঁ আহা)



ৰাজহাঁহ ঃ হেৰা কাছ, আমি মিত্ৰ হ'ব নোৱাৰোঁনে?

কাছ ঃ এৰা, আমিতো বন্ধু পাতিব পাৰোঁ।



(পঢ়োঁ আহা)



কাছ ঃ বিলখন বৰ ধুনীয়া, নহয়নে ?

ৰাজহাঁহ ঃ সচাঁকৈ, ইয়াত চৰি বৰ আনন্দ লাগে।



(পঢ়োঁ আহা)



কাছ ঃ তোমালোকে বাৰু কেনেকৈ উৰা ?

ৰাজহাঁহ ঃ বন্ধু, তোমাৰো উৰিব মন যায় নেকি ?

কাছ ঃ এৰা, পাৰিলেহে !



(পঢ়োঁ আহা)



ৰাজহাঁহ ঃ চিন্তা নকৰিবা। তোমাক আমি উৰুৱাই লৈ যাম।
কাছ ঃ সচাঁ! তোমালোক সচাঁই মোৰ আচল বন্ধু।
ৰাজহাঁহ ঃ কাইলৈ আমি আটায়ে একেলগে উৰিম।
কাছ ঃ বাঃ বাঃ ধুনীয়া হ'ব।



(পঢ়োঁ আহা)



গৰখীয়া ঃ সৌৱা কাছ উৰিছে চা। বৰ ডাঙৰ কাছ দেই। পোৱা হ'লে দকচি খালোহেঁতেন।



(পঢ়োঁ আহা)



কাছ : ওঁঠ চেলেকি থাক বোপাইহঁত।

গৰখীয়া : ঐ ধৰ ধৰ। কাছটো বান্ধ। ইয়াৰ মঙহেৰে আজি বৰ ভোজ খাম। ব'ল এতিয়া।



(পঢ়োঁ আহা)